Binding copy

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

# বাজেট ভাষণ

## ১৯৯৬-৯৭

১৩ ডিচেম্বৰ, ১৯৯৬

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত
মুখ্যমন্ত্ৰী, অসম

মাননীয় অধ্যক্ষ মহোদয়,

আপোনাৰ অনুমতি সাপেক্ষে মই ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰটোৰ বাবে অসম চৰকাৰৰ বিত্তীয় প্ৰাক্কলন উত্থাপন কৰিব খুজিছো । মাননীয় সদস্য সকল অবগত যে সদনৰ ১৯৯৬ চনৰ মাৰ্চ মাহত অনুষ্ঠিত অধিবেশনত ১/৪/৯৬ৰ পৰা ৩১-৭-৯৬ তাৰিখলৈ এই সময় ছোৱাৰ কাৰণে প্ৰথমখন ব্যয়ৰ লেখানুদান অনুমোদন কৰা হয় । ইয়াৰ পিচত এই নব গঠিত সদনৰ প্ৰথম অধিবেশনত ১-৮-৯৬ তাৰিখৰ পৰা ৩১/১২/৯৬ তাৰিখলৈ সময় ছোৱাৰ কাৰণে দ্বিতীয়খন ব্যয়ৰ লেখানুদান অনুমোদিত হয় । আজি ১৯৯৬-৯৭ চনৰ গোটেই বিত্তীয় বছৰটোৰ বাবে বাজেট প্ৰস্তাৱ উত্থাপন কৰিব বিচাৰিছো ।

২। বৰ্ত্তমানৰ চৰকাৰে ১৯৯৬ চনৰ ১৫ মে তাৰিখে কাৰ্য্যভাৰ লোৱাৰ সময়ত বিদ্ৰোহ আৰু সন্ত্ৰাসবাদ, কোক্ৰাঝাৰ আৰু বঙাইগাওঁ জিলাৰ গোষ্ঠীগত সংঘৰ্ষৰ ফলত লাখ লাখ মানুহ গৃহহীন হোৱা, প্ৰলয়ংকৰী বান, চুড়ান্ত অৰ্থনৈতিক সমস্যা আদিৰে জৰ্জৰিত এক গুৰুতৰ পৰিস্থিতিৰ উত্তৰাধিকাৰী হব লগা হয় । এনে পৰিস্থিতিত কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাৰ গোষ্ঠীগত সংঘৰ্ষত পীড়িত কেবা লাখ ভুক্তভোগীক সাহায্য আৰু পুনৰ সংস্থাপন দিয়া, আইন শৃংখলাৰ পৰিস্থিতি অব্যাহত ৰখা আৰু ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি চম্ভালি লোৱাটোৱেই চৰকাৰৰ প্ৰথম কৰ্ত্তব্য আছিল । এইবোৰ মাথোন সাত মাহতে সমাধান কৰিব পৰা সহজসাধ্য সমস্যা নহয় । তথাপিটো

আমাৰ চৰকাৰখনে দৃঢ়তা আৰু অবিৰত প্ৰচেষ্টাৰে ৰাজ্যখনলৈ যথাসম্ভৱ স্বাভাৱিক অৱস্থা আৰু প্ৰশাসনিক সুস্থিৰতা উভতাই আনিবলৈ সক্ষম হৈছে। চৰকাৰে এতিয়া বিত্তীয় পৰিস্থিতি চম্ভালি লোৱাৰ লগতে বিভিন্ন উন্নয়নমূলক কাম-কাজত নিয়োজিত হ'বলৈ অৱকাশ পাইছে।

অধ্যক্ষ মহোদয়, বিত্তীয় প্ৰাক্কলন (Budget Estimate) উত্থাপন কৰাৰ আগতে মই থোৰতে অৰ্থনৈতিক পৰিস্থিতি আৰু কেইটামান নিৰ্ব্বাচিত খণ্ডৰ কাৰ্য্য-কৰণৰ চমু আভাস দিব বিচাৰিছো।

**ৰাজ্যিক আয়**

৪.১। অস্থায়ী হিচাপ অনুযায়ী ১৯৯৪-৯৫ চনৰ অসমৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা আয় চলিত মূল্যত ১৪,৫৩৮ কোটি টকা আৰু ১৯৮০-৮১ চনৰ স্থিৰ মূল্যত ৩,৯৫৯ কোটি টকা। ১৯৯৩-৯৪ চনত অসমৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা আয় চলিত মূল্যত ১৩,০৯৫ কোটি টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১ চন) ৩,৭৫৪ কোটি টকা হ'ব বুলি ধৰা হৈছিল। সেইমতে ১৯৯৩-৯৪ চনতকৈ ১৯৯৪-৯৫ চনত ৰাজ্যখনৰ ঘৰুৱা আয় চলিত মূল্যত শতকৰা ১১.০২ ভাগ আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১ চন) শতকৰা ৫.৪৬ ভাগ বৃদ্ধি সূচায়। ১৯৯৪-৯৫ চনৰ অসমৰ জনমূৰি আয়ৰ পৰিমাণ চলিত মূল্যত ৫,৯৯৯ টকা আৰু স্থিৰ মূল্যত (আধাৰ বছৰ ১৯৮০-৮১ চন) ১,৬৩৪ টকা। পূৰ্ব্বৰ বিত্তীয় বছৰৰ জনমূৰি আয় যথাক্ৰমে ৫,৫২০ টকা আৰু ১,৫৮৩ টকা হয় বুলি ধৰা হৈছিল। গতিকে শতকৰা হিচাপত পূৰ্ব্বৰ বছৰতকৈ ১৯৯৪-৯৫ চনত অসমৰ জনমূৰি আয়ৰ পৰিমাণ চলিত মূল্যত শতকৰা ৮.৬৮ ভাগ আৰু স্থিৰ মূল্যত শতকৰা ৩.২২ ভাগ (আধাৰ বছৰ ১৯৮০-৮১ চন) বৃদ্ধি পায়।

৪.২। যি কি নহওক, ৰাষ্ট্ৰীয় জনমূৰি আয়ৰ তুলনাত আমাৰ ৰাজ্যখনৰ জনমূৰি আয় এতিয়াও যথেষ্ট কম হৈ আছে। ৰাষ্ট্ৰীয় জনমূৰি আয় আৰু ৰাজ্যিক জনমূৰি আয়ৰ মাজত থকা এই বৈষম্য শীঘ্ৰেই আতৰ কৰাটো আৱশ্যক।

মূল্য ৫.১। উৰ্দ্ধগামী মূল্যসূচী এক ৰাষ্ট্ৰীয় সমস্যা আৰু অসমো ইয়াৰ ব্যতিক্ৰম নহয়, এই কথা পাইকাৰী আৰু উপভোক্তা মূল্যসূচীৰ উৰ্দ্ধগামী গতিৰ পৰা বুজিব পাৰি। ১৯৯৪ চনতকৈ ১৯৯৫ চনত পাইকাৰী মূল্যসূচী গড়ে শতকৰা ৭.৯ ভাগ বৃদ্ধি পায় আৰু সেই একে সময়তে শ্ৰমিক শ্ৰেণীৰ গ্ৰাহক মূল্যসূচীৰো গড়ে শতকৰা ১০.৭ ভাগ বৃদ্ধি পায়। যি কি নহওক, সৰ্ব্বসাধাৰণ ৰাইজৰ নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ মূল্যৰ উৰ্দ্ধগামী আচৰণে চৰকাৰ উদ্বিগ্ন কৰিছে। চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা নিখুত কৰাৰ লগতে সুলভ মূল্যৰ দোকানৰ সংখ্যা বৃদ্ধি কৰি অপৰিহাৰ্য্য সামগ্ৰী সমূহ সহজে আৰু সুলভ মূল্যত পোৱাৰ কাৰণে অবিৰত প্ৰচেষ্টা চলাই যাব। ৰাজ্যখনত খাদ্য আৰু অপৰিহাৰ্য্য সামগ্ৰী সমূহৰ সৰবৰাহত যাতে কোনো যতি নপৰে তাৰ বাবে সংশ্লিষ্ট বিভাগ সমূহ যেনে– ৰেল বিভাগ, ভাৰতীয় খাদ্য নিগম আৰু চেম্বাৰ্চ অৱ কমাৰ্চৰ লগত নিয়মীয়া যোগসূত্ৰ ৰক্ষা কৰি থকা হৈছে।

নিয়োগ ৬.১। নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ চলন্তপঞ্জী অনুসৰি ৰাজ্যখনৰ চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ১৯৯৪ চনৰ চেপ্তেম্বৰ মাহৰ শেষলৈকে আছিল ১২.৮৩ লাখ। ইয়াৰ ভিতৰত শিক্ষিত চাকৰি প্ৰাৰ্থীৰ সংখ্যা হ'ল ৮.২৮ লাখ অৰ্থাৎ মুঠ চাকৰি প্ৰাৰ্থীৰ ৬৪.৫ শতাংশ আৰু অদক্ষ চাকৰি প্ৰাৰ্থীৰ সংখ্যা ৪.৫৫ লাখ অৰ্থাৎ মুঠ চাকৰি প্ৰাৰ্থীৰ ৩৫.৫

শতাংশ। সেই তাৰিখত মহিলা চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল ২.৬২ লাখ। অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ চাকৰি প্ৰাৰ্থীৰ সংখ্যা হৈছে যথাক্ৰেমে ০.৭৮ লাখ, ১.৩৩ লাখ আৰু ২.৩২ লাখ।

৬.২। ৰাজ্যখনত কৰ্ম্মসংস্থানৰ সুযোগ বৃদ্ধিৰ গতি লেহেম হৈছে আৰু যোৱা কেইবছৰত হোৱা জনসংখ্যা বৃদ্ধি আৰু শিক্ষাৰ প্ৰসাৰতাৰ লগত সামঞ্জস্য পূৰ্ণ হোৱা নাই। বৰ্দ্ধিত নিবনুৱা সমস্যাৰ প্ৰতি চৰকাৰ সততে সজাগ আৰু কৃষি, কৃষিভিত্তিক উদ্যোগ, পশুপালন আৰু মীন পালন আদিৰ স্ব-নিয়োজিত আচঁনিৰ জৰিয়তে এই সমস্যা সমাধানৰ চিন্তা কৰিছে। চৰকাৰৰ এই প্ৰচেষ্টাৰ পৰিপূৰক হিচাবে বৰ্ত্তমান চৰকাৰখনে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ লগে লগে কৰ্ম সংস্থান বৃদ্ধি কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ উপযুক্ত নিবনুৱা সকলক বিশেষ নিয়োগ ব্যৱস্থাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন সংস্থানত সংস্থাপিত কৰিবলৈ মাননীয় প্ৰধানমন্ত্ৰীৰ ওচৰত অনুৰোধ জানাইছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অলপতে অসম ভ্ৰমণ কৰা সময়ত উত্তৰ পূৰ্ব্বাঞ্চলৰ শিক্ষিত নিবনুৱা সকলৰ সমস্যা সমূহ জৰুৰীভাৱে অধ্যয়ণ কৰি উক্ত সমস্যা সমাধানৰ কাৰণে উপযুক্ত কৰ্ম পন্থা ডাঙি ধৰিবলৈ এখন উচ্চ ক্ষমতাপুৰ্ণ বিশেষজ্ঞ কমিটি গঠন কৰাৰ কথা ঘোষণা কৰিছে।

কৃষি

৭.১। ৮৯ শতাংশ লোকেই কৃষিজীৱি হোৱাৰ কাৰণে ৰাজ্যখন কৃষিৰ ওপৰতেই নিৰ্ভৰশীল। ৰাজ্যখনৰ ৬৩ শতাংশ শ্ৰমিক কৃষিৰ ওপৰত নিৰ্ভৰশীল।কৃষি ক্ষেত্ৰ সম্পূৰ্ণ ব্যক্তিগত খণ্ডত হোৱা কাৰণে উৎপাদন বৃদ্ধিৰ প্ৰয়োজনীয় সা-সুবিধা সমূহ যোগান ধৰোতেই চৰকাৰৰ ভূমিকা

সীমিত ।ৰাজ্যখনৰ অৰ্থনীতিত কৃষিৰ অপৰিহাৰ্য্য ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পৰাটোৱেই আমাৰ নীতিৰ মূল উদ্দেশ্য। লগতে তেলশস্য, বাণিজ্যিক শস্য আৰু উদ্যান শস্যৰ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰতো প্ৰাধান্য দিয়া হৈছে। কৃষিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱা লক্ষ পুৰণ কৰিবলৈ চৰকাৰে ক্ষুদ্ৰ জলসিঞ্চন, কৃষিৰ আধুনিক বিজ্ঞান সন্মত আহিলাৰ প্ৰয়োগ, উন্নত বীজ তথা সাৰৰ যোগান আৰু খণ্ড পৰ্য্যায়ত কৃষক সকলৰ সৈতে নিয়মীয়া যোগাযোগ ব্যৱস্থাৰ অধিক এলেকা সামৰি ল'ব পৰাকৈ এখন চাৰি দফীয়া কৃষি আঁচনিৰ উদ্ভাৱন কৰিছে।

৭.২। ১৯৯৬-৯৭ চনত কৃষি খণ্ডৰ বাবে আৱন্টিত বাৰ্ষিক পৰিকল্পনাৰ পুঁজি ৫৬.২৬ কোটি ধাৰ্য্য কৰা হৈছে তাৰে ৪.৮২ কোটি টকা পাৰ্ব্বত্য অঞ্চলৰ বাবে। ইয়াৰ বাহিৰেও বিশ্ব বেংকে সাহায্য আগবঢ়োৱা অসম গ্ৰাম্য আন্তৰগাঠনি আৰু কৃষি সেৱা প্ৰকল্পলৈ (ARIASP)আছুতীয়া ভাৱে ১৮ কোটি টকাৰ আৱন্টন দিয়া হৈছে।

গ্ৰামোন্নয়ন

৮.১। গ্ৰাম্য বিকাশৰ মূল লক্ষ্য হৈছে গ্ৰামাঞ্চলৰ দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ উন্নতিকল্পে দাৰিদ্ৰ মোচন আচঁনি সমূহৰ ৰূপায়ণ ঘটোৱা। চলিত বিত্তীয় বৰ্ষত ৬১,০০০ পৰিয়ালক একত্ৰীকৃত গ্ৰাম্য বিকাশ আচঁনিৰ (IRDP) অন্তৰ্ভূক্তি ও ৯,০০০ গ্ৰাম্য যুৱকক স্বনিয়োজন আচঁনিৰ (TRYSEM) অন্তৰ্ভূক্তি, জৱাহৰ ৰোজগাৰ যোজনা আচঁনিৰ (JRY) অধীনত ১৮৪ লাখ কৰ্ম দিনৰ ব্যৱস্থা নিয়োগ নিশ্চিত কৰণ আচঁনিৰ (EAS) জৰিয়তে ১.৩৩ লাখ লোকক কম পক্ষেও ১০০ দিনৰ নিযুক্তিকৰণ আৰু

ইন্দিৰা আৱাস যোজনাৰ (IAY) অধীনত ২৫,৭৬০ পৰিয়াললৈ আৱাস গৃহ আৱন্টনৰ আচঁনি সমূহ ৰূপায়ণ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। মই সদনক এই কথা জনাবলৈ পাই সুখী হৈছো যে চলিত বিত্তীয় বছৰত সকলোবোৰ উন্নয়ন খণ্ডকে নিয়োগ নিশ্চিত কৰণ আচঁনিৰ অধীনত সামৰি লোৱা হৈছে। এই আঁচনি বোৰৰ দ্ৰুত ৰূপায়ণৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে।

৮.২। ১৯৯৬-৯৭ চনত গ্ৰামোন্নয়নৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ অধীনত ৬৫.৭০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ১৯৯৬-৯৭ চনৰ বছৰটোত ৰাজ্যখনলৈ কেন্দ্ৰীয় আৱন্টনৰ পৰিমাণ হ'ব ২১৯.২৮ কোটি টকা।

শক্তি

৯.১। বৰ্ত্তমান ৰাজ্যখনৰ বিদুৎ পৰিস্থিতিৰ বৈশিষ্ট হৈছে প্ৰতিষ্ঠাপন ক্ষমতাতকৈ কম উৎপাদন। চৰকাৰে প্ৰতিষ্ঠাপন ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ কৰাৰ লগতে প্ৰতিষ্ঠাপন ক্ষমতা আৰু বৃদ্ধি কৰাৰ বাবে দৃঢ়প্ৰতিজ্ঞ। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰতিস্থাপন ক্ষমতা ১-৪-৯৬ তাৰিখত আছিল ৫৭৪.৪ মেগাৱাট। লাকুৱা তাপ বিদ্যুৎ কেন্দ্ৰৰ (১৫ মেগাৱাটত) উন্নতকৰণ আৰু চন্দ্ৰপুৰ তাপ বিদুৎ কেন্দ্ৰৰ (৩০ মেগাৱট) উন্নতকৰণ আৰু পূৰ্ণঃ প্ৰতিষ্ঠাপনৰ বাবে ১৯৯৬-৯৭ চনত আৰু ৪৫ মেগাৱট শক্তি ৰ বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে। ব্যত্তিগত খণ্ডত স্থাপিত আদমটিল্লা আৰু বাসকান্দি মিনি গেচ প্ৰকল্পৰ পৰা ১৯৯৬-৯৭ চনত আৰু ২৪.৫ মেগাৱট শক্তিৰ উৎপাদন আশা কৰা হৈছে। ইয়াৰোপৰি ৫০ মেগাৱট শক্তি উৎপাদনৰ ২৩ টা মাইক্ৰ' হাইডেল প্ৰকল্পৰ কাম কাজ ব্যক্তিগত খণ্ডৰ জৰিয়তে ৰূপায়ন কৰাৰ বাবে চিহ্নিত কৰণ প্ৰক্ৰিয়া চলি আছে।

৯.২। কাৰবি লাংপি (নামনি বৰাপানী) আৰু আমগুৰি শক্তি প্ৰকল্পৰ কাম কাজ খৰতকীয়া ভাবে সম্পন্ন কৰাৰ বাবেও চৰকাৰ সজাগ। সেই কাৰণে চৰকাৰে এক অধিসূচনা অনুযায়ী কাৰবি লাংপি (নামনি বৰাপানী) প্ৰকল্পটো যোৱা ৩০-১১-৯৬ তাৰিখে নিজৰ হাতলৈ আনি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ইয়াৰ ৰূপায়নৰ দায়িত্ব অৰ্পণ কৰিছে। আমগুৰি থাৰ্মেল প্ৰকল্পৰ কাম কাজ ৰাষ্ট্ৰীয় থাৰমেল শক্তি নিগমে (NTPC) ৰূপায়ন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

৯.৩। শক্তি খণ্ডত ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাতা আৱন্টন হৈছে ১৬৫.৭০ কোটি টকা, ইয়াৰে ২.৬০ কোটি টকা পাৰ্বত্য অঞ্চলৰ বাবে। উপৰোক্ত আৱন্টনৰ ভিতৰত ৩০ কোটি টকা গ্ৰাম্য বৈদ্যুতিকৰণ আচঁনি, ৫০ কোটি টকা সৰবৰাহ আৰু বিতৰণ আৰু ৪০ কোটি টকা মেৰামতি আৰু আধুনীকিকৰণৰ বাবে নিৰ্দ্দিষ্ট কৰি দিয়া হৈছে।

উদ্যোগ

১০.১। নিয়োগৰ সুবিধা বৃদ্ধি আৰু অৰ্থনৈতিক বিকাশৰ কাৰণে উদ্যোগ খণ্ডৰ উন্নয়ন অপৰিহাৰ্য্য। কিন্তু চৰকাৰে এতিয়াৰ পৰা ৰাজহুৱা খণ্ডত তেল আৰু প্ৰাকৃতিক গেছ খণ্ডৰ বাহিৰে অন্য উদ্যোগ স্থাপন নকৰি কেৱল সুবিধা প্ৰদানৰ ভুমিকাহে পালন কৰিবলৈ সিদ্ধান্ত কৰিছে। সন্মানিত সদস্য সকল নিশ্চয় অৱগত যে, মাননীয় প্ৰধান মন্ত্ৰীয়ে অলপতে উত্তৰ পূৰ্ব্বাঞ্চল ভ্ৰমণ কৰাৰ সময়ত আৱশ্যকীয় খণ্ডসমূহত, বিশেষকৈ শক্তি, যোগাযোগ, ৰেল, পথ আদি খণ্ডত সৃষ্টি হোৱা অভাৱ সমূহ ভালদৰে পৰীক্ষা কৰি চোৱাৰ বাবে এটা উচ্চ স্তৰীয় আয়োগ গঠন কৰাৰ আশ্বাস দিছিল। ইতিমধ্যে এই আয়োগ গঠন কৰা হৈছে।

ইয়াৰোপৰি ব্যক্তিগত খণ্ডত দেশী আৰু বিদেশী পুঁজি বিনিয়োগ বৃদ্ধি কৰাৰ কাৰণে উত্তৰ পূৰ্ব্বাঞ্চলৰ কাৰণে এক নিৰ্দ্দিষ্ট উদ্যোগ নীতি অহা ৩১/৩/৯৭ ভিতৰত ঘোষনা কৰা হব বুলি প্ৰধান মন্ত্ৰীয়ে ব্যক্ত কৰিছে। এই সংক্ৰন্তত অসম চৰকাৰৰ পৰামৰ্শৱলী ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে।

১০.২। শিক্ষিত নিবনুৱা যুৱকসকলৰ স্ব-নিয়োজনৰ ব্যৱস্থা কৰাটো আমাৰ আন এটা চিন্তাৰ বিষয়। ৰাজ্য চৰকাৰৰ অনুৰোধ মৰ্মে কেন্দ্ৰীয় চৰকাৰে প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনাৰ (PMRY) ১৯৯৬-৯৭ চনৰ লক্ষ্য ৯.৯০০ জনৰ পৰা ১৫,০০০ জনলৈ বৃদ্ধি কৰিছে। চৰকাৰৰ পৃষ্ঠপোষকতাত ৩০/১১/৯৬ তাৰিখলৈকে ৯০৬৪ টা স্ব-নিয়োজনৰ আচঁনি বেংকলৈ পঠোৱা হৈছে আৰু ইয়াৰ ভিতৰত এতিয়ালৈকে ১৯৭৯ টা আচঁনিত বেংকে অনুমোদন জনাইছে।

১০.৩। বৃহৎ আৰু মজলীয়া খণ্ডৰ উদ্যোগৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অসম গেছ ক্ৰেকাৰ প্ৰকল্প সৰ্ম্পকীয় নিস্পত্তি নোহোৱা বিষয়বোৰ সমাধান কৰিবলৈ প্ৰৱল ভাৱে হেঁচা দি আহিছে যাতে ইয়াৰ কাম কাজ সমূহ অনতিপলমে আৰম্ভ কৰিব পৰা যায়। নুমলীগড় শোধনাগাৰৰ কাম কাজ নিৰ্দ্ধাৰিত সময় সূচী মতেই আগবাঢ়ি আছে আৰু ১৯৯৮ চনৰ ডিচেম্বৰ মাহত এই প্ৰকল্প উৎপাদনক্ষম হ'ব বুলি আশা কৰা হৈছে।

১০.৪। উদ্যোগ আৰু খনিজাত সা-সামগ্ৰীৰ ক্ষেত্ৰত ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত ৭২.৬০ কোটি টকা ধৰা

হৈছে। ইয়াৰে ৪.৪৩ কোটি টকা পাৰ্ব্বত্য অঞ্চলৰ বাবে আৰু ৩০ কোটি টকা নুমুলীগড় শোধনাগাৰত চৰকাৰৰ অংশ (equity) বিনিয়োগৰ বাবে ।

পথ যোগাযোগ

১১.১। ৰাজ্যখনৰ পথ যোগাযোগ ব্যৱস্থা বৰ্ত্তমান অতি শোচনীয় । চৰকাৰৰ সামৰ্থ অনুযায়ী বৰ্ত্তমান ব্যৱহৃত পথ সমূহৰ যথা সম্ভব ৰক্ষণা-বেক্ষণ আৰু মেৰামতিৰ দিশত প্ৰাধান্য দিয়া হ'ব। অলপতে উত্তৰ পূৱ ভাৰত ভ্ৰমণৰ অন্তত প্ৰধান মন্ত্ৰীয়ে যোগীঘোপাত ৰেল তথা পথ দলঙৰ কাম সম্পূৰ্ণ কৰিবলৈ আৰু বগী বিলত এখন ৰেল তথা পথ দলং নিৰ্মাণ কৰিবলৈ অতিৰিক্ত পুঁজিৰ আৱন্টনৰ আশ্বাস দিছে। ইয়াৰোপৰি কেন্দ্ৰীয় ৰেলৰে মন্ত্ৰীয়ে বৰাক উপত্যকাৰ শিলচৰ চহৰলৈ ব্ৰডগজ ৰেলপথ সম্প্ৰসাৰণৰ আস্বাস দিছে।এই প্ৰকল্প দুটাৰ ৰূপায়ন সম্পূৰ্ণ হলে ৰাজ্যৰ পথ যোগা-যোগ সমস্যা সমাধানৰ দিশত এক উল্লেখযোগ্য অৰিহনা যোগাব ।

১১.২। পথ আৰু দলঙৰ কাৰণে ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত আৱন্টন হৈছে ১০২.৯১ কোটি টকা । ইয়াৰ ভিতৰত বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত প্ৰকল্প অসম গ্ৰাম্য আন্তৰ গাঁঠনি আৰু কৃষি সেৱা প্ৰকল্পৰ ২২ কোটি টকা আৰু পাৰ্বত্য অঞ্চলৰ বাবে আৱন্টিত ২৬.২৮ কোটি টকা সামৰি লোৱা হৈছে। সাধাৰণ অঞ্চলৰ গ্ৰাম্য পথৰ বাবে ৩৬ কোটি টকা আৰু পাৰ্বত্য অঞ্চলৰ গ্ৰাম্য পথৰ বাবে ৬.২৭ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

বাননিয়ন্ত্ৰ

১২.১। বানপানীত ক্ষতি হোৱা সম্পত্তি আৰু জীৱন নাশৰ বিষয়ে আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে লবলগা ব্যাপক বান নিয়ন্ত্ৰণ আচঁনিৰ বিষয়ে এই পবিত্ৰ সদনত কেবাবাৰো

উল্লেখ কৰা হৈছে। নতুন চৰকাৰে কাৰ্য্যভাৰ হাতত লোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সক্ৰিয় কৰণ আৰু ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বাবে বুনিয়াদী জল পৰিচালনা আচঁনি প্ৰস্তুত কৰণ সম্বন্ধে ভাৰত চৰকাৰৰ সৈতে যোগা যোগ কৰা হৈছে। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই অলপতে অসম ভ্ৰমণ কৰা সময়ত ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণৰ কাম কেন্দ্ৰীয় খণ্ডৰ প্ৰকল্প হিচাবে কেন্দ্ৰীয় চৰকাৰৰ হাতত লোৱাৰ আৰু নৱম পৰিকল্পনাৰ সময়চোৱাত ইয়াৰ কাৰণে ৫০০ কোটি টকা অন্তভূক্ত কৰাৰ কথা সদখি কৰিছে।

১২.২। ১৯৯৬-৯৭ চনৰ বছৰটোত বান নিয়ন্ত্ৰনৰ বাবে ১৯.৯২ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ ভিতৰত ১.৩৫ কোটি টকা পাৰ্বত্য অঞ্চলৰ বাবে। ইয়াৰ ওপৰিও ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰনৰ বাবে ২৫ কোটি টকাৰ অনুদান দিছে।

**শিক্ষা**

১৩.১। গুনগত মানদণ্ডলৈ পিঠি দি যধে-মধে শিক্ষানুষ্ঠান গঢ়াৰ পৰিবৰ্তে শিক্ষাৰ গুনগত মানদণ্ড উন্নত কৰা এই চৰকাৰৰ লক্ষ্য হব। বৰ্ত্তমানে থকা সা-সুবিধা সমূহ একত্ৰীকৰণ আৰু উন্নত কৰি নাম ভৰ্ত্তিৰ সংখ্যা বঢ়াই আৰু আধৰুৱাকৈ শিক্ষা সাং কৰা ছাত্ৰৰ সংখ্যা হ্ৰাস কৰাত মনোনিবেশ কৰা হব। প্ৰাপ্ত বয়সৰ শিক্ষাৰ ক্ষেত্ৰত পূৰ্ণ শতাংশ স্বাক্ষৰতা লক্ষ্যত উন্নীত হবলৈ কেইখনমান নিৰ্ব্বাচিত জিলা, অঞ্চল আৰু গাঁও বাছি লোৱা হৈছে। ১৫ৰ পৰা ৩৫ বছৰ বয়সৰ ৬০,০০০ নিৰক্ষৰ লোকক ১৯৯৬-৯৭ চনৰ বছৰটোত সামৰি লবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। বিশ্ব বেংকৰ সাহায্যত জিলা প্ৰথমিক শিক্ষা আচঁনি খন (DPEP) মৰিগাওঁ, দৰং, ধুবুৰী আৰু কাৰ্বি আংলঙ জিলাত ৰূপায়ণ

কৰি থকা হৈছে । ৰাষ্ট্ৰীয় মহিলা স্বাক্ষৰতা হাৰত কৈ কম হাৰৰ মহিলা স্বাক্ষৰতা থকা আটাইকেইখন জিলাকে সামৰি লব পৰাকৈ এই বছৰতে এই জিলা প্ৰাথমিক শিক্ষা আঁচনি খন বঙাইগাঁও, গোৱালপাৰা, শোনিতপুৰ, বৰপেটা আৰু নলবাৰী জিলালৈ সম্প্ৰসাৰিত কৰিবলৈ বিচৰা হৈছে ।

১৩.২ কাৰিকৰী শিক্ষাকে ধৰি শিক্ষা খণ্ডত ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ আৱন্টিত মুঠ পুঁজিৰ পৰিমাণ হ'ল ৩৩৫.৮২ কোটি টকা । তাৰে ২১.২৪ কোটি পাৰ্বত্য অঞ্চলৰ বাবে । ইয়াৰ ওপৰিও কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত বিশ্ববেংকে সাহায্য কৰা প্ৰকল্পৰ ৰূপায়ণৰ বাবে ৮.১২ কোটি আৰু দশম বিত্তীয় আয়োগৰ অনুমোদিত মান উন্নয়নমুখী আঁচনিৰ বাবে ৯.৭৪ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ**

১৪.১ স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ ক্ষেত্ৰত চৰকাৰৰ লক্ষ্য হব সকলো লোকলৈ প্ৰতিৰোধ মূলক, আৰোগ্য মূলক আৰু উন্নয়ন মূলক স্বাস্থ্য সেৱা আগবঢ়োৱা আৰু শতিকাৰ শেষত 'সকলোৰে প্ৰতি স্বাস্থ্য' ৰ লক্ষ্যত উপনীত হোৱা । সাধাৰণ সেৱা আগবঢ়োৱাৰ লগতে যক্ষ্মা, এইড্‌চ, মেলেৰীয়া, ফাইলেৰীয়া, কুষ্ঠ, গৰল, অন্ধতা ইত্যাদি সংক্ৰামক আৰু সোঁচৰা ৰোগ সমূহৰ নিয়ন্ত্ৰণ নিৰ্ম্মূল কৰাৰ কাৰণেও বিভিন্ন আঁচনি ৰূপায়ণত জোৰ দিয়া হ'ব । এই বছৰ অক্টোবৰ মাহৰ ২৫ তাৰিখে মাননীয় প্ৰধান মন্ত্ৰীৰ অসম ভ্ৰমণৰ সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় খন ৰাষ্ট্ৰীয় আয়ুৰ্বিজ্ঞাণ প্ৰতিষ্ঠানৰ পৰ্য্যায়লৈ উন্নতিকৰাৰ কাৰণে পৰ্য্যাপ্ত কেন্দ্ৰীয় সাহায্যৰ অনুৰোধ জনাই এক স্মাৰক পত্ৰ প্ৰদান কৰা হৈছিল । প্ৰধান মন্ত্ৰী ডাঙৰীয়াই এই অনুৰোধ সহানুভূতিৰে বিবেচনা কৰা হব বুলি আশ্বাস দিছে । একে ধৰণে চিকিৎসা বিজ্ঞানৰ প্ৰগতিৰ লগত সামঞ্জস্য ৰাখিব

পৰাকৈ শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ উন্নতি সাধনৰ কাৰণে যথোপযুক্ত ব্যৱস্থা লোৱা হ'ব ।

১৪.২। এশ শতাংশ কেন্দ্রীয় সাহায্য পুষ্ট তথা কেন্দ্রই পৃষ্ঠপোষকতা কৰা পৰিয়াল কল্যাণ আচঁনি খনৰ অধীনত জন্ম আৰু মৃত্যুৰ হাৰ নিয়ন্ত্রণ তথা শিশুৰ মৃত্যুৰ হাৰ হ্রাস কৰিব পাৰি তাঁলৈ লক্ষ ৰাখি জনগনৰ মনত সজাগতাৰ সৃষ্টি কৰিবলৈ যথেষ্ট গুৰুত্ব প্রদান কৰা হ'ব । ৰাষ্ট্রীয় স্বাস্থ্য নীতিৰ লগত সুৰ মিলাই পালচ্ প'লিঅ ইউমিনাইজেচন আচঁনি আৰু প্রাথমিক বিদ্যালয়ৰ ছাত্র-ছাত্রীলৈ বিনামূলীয়া চিকিৎসা সেৱা প্রদানৰ আচঁনি দুখনো ৰূপায়ন কৰা হৈছে ।

১৪.৩। স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ বাবে আৱন্টিত বাৰ্ষিক পৰিকল্পনাৰ পূঁজিৰ পৰিমাণ হ'ল ৬৩.৯৪ কোটি টকা । ইয়াৰ ভিতৰত পাৰ্বত্য অঞ্চলৰ বাবে ৩.৬২ কোটি টকা ধৰা হৈছে । ইয়াৰ উপৰি পৰিয়াল কল্যাণ আচঁনিৰ বাবে ভাৰত চৰকাৰে ৩০.৬৫ কোটি টকাৰ অতিৰিক্ত আৱন্টন দিছে ।

সমাজ কল্যাণ

১৫.১। সমাজৰ দূৰ্ব্বল শ্রেণীৰ লোকৰ সামাজিক সুৰক্ষা প্রদানৰ বাবে ৰূপায়ন কৰি থকা বিভিন্ন সমাজ কল্যাণ আচঁনি সমূহৰ ভিতৰত নিঠৰুৱা, অক্ষম আৰু মাউৰা সকলৰ কল্যাণ, শিশু, গৰ্ভৱতী আৰু শিশু দুগ্ধ পান কৰোৱা মাতৃ সকলৰ পুষ্টি সাধন, বৃদ্ধ বয়সৰ পেঞ্চন, বিধৱা পেঞ্চন, মহিলা সমৃদ্ধি আচঁনি আদি আচঁনি সমূহ আছে । সামাজিক সুৰক্ষালৈ বিশেষ দৃষ্টি ৰাখি এই কল্যাণ মূলক আচঁনি সমূহৰ ফল যাতে দৰিদ্রৰ সীমাৰেখাৰ তলত থকা লোক সকলে ভোগ কৰিব পাৰে তাৰ বাবে চকু দিয়া হ'ব ।

১৫.২। সমাজ কল্যাণ শিতানত ১৯৯৬-৯৭ চনৰ বাবে বাৰ্ষিক পৰিকল্পনাত ১১.২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে তাৰে ১.২০ কোটি টকা পাৰ্বত্য অঞ্চলৰ বাবে। সংহত শিশু উন্নয়ন আঁচনি (ICDS) ৰ অধীনত আৱন্টিত হ'বলগীয়া পূঁজিৰ পৰিমাণ এতিয়াও স্থিৰ হোৱা নাই।

**পিছপৰা শ্ৰেণীৰ উন্নয়ন**

১৬.১ অনুসূচীত জাতি, জনজাতি আৰু চাহ বাগানৰ বনুৱা সমন্বিতে অন্যান্য পিছপৰা শ্ৰেণীৰ সামাজিক অৰ্থনৈতিক উত্তৰণৰ আঁচনি আৰু কাৰ্য্যসূচী সমূহৰ সফল ৰূপায়ণৰ দিশত চৰকাৰে অগ্ৰাধিকাৰ দিব। অনুসূচীত আৰু জনজাতি সম্প্ৰদায়ৰ লোক সকলৰ সৰ্বাঙ্গীন উন্মতিৰ বাবে এই সম্প্ৰদায় বসতিপূৰ্ণ এলেকাত স্বাস্থ্য, শিক্ষা বিশেষকৈ স্ত্ৰী শিক্ষা, খোৱা পানীৰ সুবিধা, পথ যোগাযোগ ব্যৱস্থা, অন্তৰগাথঁনি আঁচনি সমূহৰ ৰূপায়ণত গুৰুত্ব দিয়া হব। লগতে অনুসূচীত জাতি/ জনজাতি/ অন্যান্য পিচ-পৰা শ্ৰেণী তথা চাহ বাগানৰ বনুৱা সকলৰ দৰিদ্ৰতা দূৰীকৰণৰ বাবে দৰিদ্ৰতা নিৰ্মূলকৰণ কাৰ্য্যসূচীৰ ৰূপায়ণ কৰা হব।

১৬.২ এই সম্প্ৰদায় সমূহৰ কল্যাণৰ বাবে ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত ১৪.৬৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ লগত জনজাতি উপ পৰিকল্পনাৰ (TSP) বাবে ১৪.৮৮ কোটি টকা আৰু অনুসূচীত জাতিৰ সংহত আঁচনিৰ (SCCP) বাবে ৩.৬৫ কোটি টকা বিশেষ কেন্দ্ৰীয় সাহাৰ্য্য হিচাবে যোগ দিয়া হব।

**পাৰ্বত্য অঞ্চল**

১৭.১ পাৰ্বত্য জিলা দুখনৰ খৰতকীয়া উন্নতিৰ কাৰণে এ,এচ,ডি,চি (ASDC) আৰু জিলা দুখনৰ বিভিন্ন সন্থাৰ লগত হোৱা বুজাবুজিৰ চুক্তি (MOU) খন ৰূপায়ণ কৰা

হব । পাৰ্ব্বত্য অঞ্চল সৰ্ব্বাত্মক উন্নয়নৰ বাবে স্বায়ত্ত্ব পৰিষদ কৰ্ত্তৃপক্ষৰ লগত আলোচনাক্ৰমে আঁচনি প্ৰস্তুত কৰা হ'ব । আঁচনি সমূহ প্ৰস্তুত কৰোতে পৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা পৰাম্পৰাগত ঝুম খেতিৰ পৰিবৰ্তে স্থায়ী পদ্ধতিৰে কৰা খেতিৰ প্ৰতি মনোনিবেশ কৰোৱাৰ ওপৰত গুৰুত্ব দিয়া হ'ব ।

১৭.২। পাৰ্বত্য অঞ্চলৰ বাবে ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনা আৱন্টনত ৯২ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই পুঁজিৰ উপৰি ৪৬.৩২ কোটি টকা বিশেষ কেন্দ্ৰীয় সাহায্য পোৱা হৈছে ।

**স্বায়ত্ত্ব শাসিত পৰিষদ**

১৮.১। ১৯৯৬-৯৭ চনৰ পৰিকল্পনাৰ শিতানত বড়োলেণ্ড স্বায়ত্ত্ব শাসিত পৰিষদ, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদ, ৰাভা হাচং স্বায়ত্ত্ব শাসিত পৰিষদ আৰু লালুং (টিৱা) স্বায়ত্ত্ব শাসিত পৰিষদ, এই চাৰি খন স্বায়ত্ত্ব শাসিত পৰিষদৰ দ্বাৰা উন্ময়নমূলক আঁচনি সমূহৰ ৰূপায়ণৰ বাবে পুঁজি আচুতীয়াকৈ ৰখা হৈছে । এই চৰিখন পৰিষদ কাৰণে সৰ্বমুঠ ৫৮.৩৭ কোটি টকাৰ ভিতৰত ৩৮.৭৬ কোটি টকা বড়োলেণ্ড স্বায়ত্ত্ব শাসিত পৰিষদ বাবে, ১০.৯২ কোটি টকা মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ বাবে, ৫.৮৯ কোটি টকা ৰাভা হাচং স্বায়ত্ত্ব শাসিত পৰিষদ আৰু ২.৮০ কোটি টকা, লালুং (টিৱা) স্বায়ত্ত্ব শাসিত পৰিষদৰ বাবে । পৰিষদ কেইখনৰ সচিবালয়ৰ দৈনন্দিন ব্যয়ৰ বাবেও পৰিকল্পনা বহিৰ্ভূত শিতানত পুঁজি ধাৰ্য্য কৰা হৈছে ।

**বাৰ্ষিক পৰিকল্পনা**

১৯.১। মই পবিত্ৰ সদনক এটা কথা জনাবলৈ পাই সুখী হৈছো যে, ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত মুঠ ১৪৩৪

কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু এই আৱন্টন ১৯৯৫-৯৬ চনৰ সংশোধিত আৱন্টনৰ মুঠ ১২০২ কোটি টকাৰ ওপৰত শতকৰা ১৯.৩ ভাগ বৃদ্ধি হৈছে। মুঠ আৱন্টিত বাৰ্ষিক পৰিকল্পনাৰ ১৪৩৪ কোটি টকাৰ ভিতৰত সাধাৰণ অঞ্চলৰ বাবে ১৩৪২ কোটি টকা আৰু পাৰ্বত্য অঞ্চলৰ বাবে ৯২ কোটি টকা। সাধাৰণ অঞ্চলৰ বাবে আৱন্টিত পূঁজিৰ ভিতৰত বহিঃ সাহায্যপুষ্ট (Externally Aided Project) প্ৰকল্পৰ বাবে ৮০ কোটি টকা আৰু দশম বিত্তীয় আয়োগে পৰামৰ্শ আগবঢ়োৱা মান উন্মিতকৰণ সাহায্য বৰঙণিৰ বাবে ধাৰ্য্য কৰা ৭৮.২৬ কোটি টকা অন্তৰ্ভূক্ত কৰা হৈছে। সাধাৰণ অঞ্চলৰ বাবে আবন্টিত পূঁজিৰ ভিতৰত জনজাতীয় উপ পৰিকল্পনাৰ (TSP) বাবে ১৩৩.৪১ কোটি আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ (SCCP) ৰ বাবে ৮৯.১৪ কোটি টকা ধৰা হৈছে। জনজাতি উপ পৰিকল্পনা (TSP) আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনা (SCCP) ত যথাক্ৰমে ১৪.৮৮ কোটি আৰু ৩.৬৫ কোটি অতিৰিক্ত সংযোগী কেন্দ্ৰীয় সাহায্যৰ (Additive Central Assistance) টকাৰে বৃদ্ধি ঘটোৱা হব। ঠিক একে ধৰণৰে পাৰ্বত্য অঞ্চলৰ বাবে ধাৰ্য্য কৰা ৯২ কোটি টকাৰ বাৰ্ষিক আবন্টন অতিৰিক্ত সংযোগী কেন্দ্ৰীয় সাহায্যৰ ৪৬.৩২ কোটি টকাৰে বৃদ্ধি ঘটোৱা হব।

১৯.২। ৰাষ্ট্ৰীয় নীতিৰ লগত সংগতি ৰাখি অসম চৰকাৰে ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনস্থ নুন্যতম প্ৰয়োজনীয় সেৱা সমূহৰ উন্নয়নৰ কাৰণে লোৱা আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। এই বিলাকৰ ভিতৰত গ্ৰামাঞ্চল আৰু নগৰাঞ্চলত বিশুদ্ধ খোৱা

পানীৰ যোগান, গাওঁ অঞ্চলৰ পথ, প্ৰাথমিক চিকিৎসা সেৱা, প্ৰাথমিক শিক্ষা সাৰ্ব্বজনীন কৰি তোলা, প্ৰাথমিক বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা, নিৰাশ্ৰয় পৰিয়াললৈ আৱাসগৃহ আগবঢ়োৱা আৰু ৰাজহুৱা বিতৰন ব্যৱস্থা আদি আঁচনি সমূহ সামৰি লোৱা হৈছে। এই আঁচনি সমূহ ৰূপায়ণৰ কাৰণে ৩৩০.১৪ কোটি টকা ধৰা হৈছে তাৰে ৩০.৯৮ কোটি টকা পাৰ্ব্বত্য অঞ্চলৰ বাবে।

১৯.৩। ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনা বিত্তীয় ব্যৱস্থাৰ হেতু পৰিকল্পনা আয়োগে ১১০০.৫০ কোটি টকা কেন্দ্ৰীয় সাহায্য হিচাপে আবন্টন দিছে। ইয়াৰ ভিতৰতে নুন্যতম প্ৰয়োজনীয় সেৱাৰ বাবে ১৫৪ কোটি টকা অতিৰিক্ত কেন্দ্ৰীয় সাহায্য হিচাপে সামৰি লোৱা হৈছে। ইয়াৰ বাদেও ৮০ কোটি টকা বহিৰ্সাহায্য পুষ্ট প্ৰকল্পৰ বাবে আৰু ৬.৫৫ কোটি টকা হস্তান্তৰিত কেন্দ্ৰীয় সাহায্য পুষ্ট আঁচনিৰ বাবে ধাৰ্য্য কৰা হৈছে।

১৯.৪। মাননীয় সদস্য সকলৰ এইটো অৱগত যে, ১৯৯৬-৯৭ চনৰ বছৰটো অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাৰ (১৯৯২-৯৭) শেষৰ বছৰ। পৰিকল্পনা আয়োগে প্ৰথমেই অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাৰ কাৰণে থুল-মূলকৈ ৪৬৬২ কোটি টকা ধাৰ্য্য কৰিছিল। ইয়াৰ ভিতৰত কেন্দ্ৰীয় সাহাৰ্য্য আছিল ৩৭৪৮ কোটি টকা। চলিত বছৰত আৱন্টিত ১৪৩৪ কোটি টকা ধৰি অষ্টম পৰিকল্পনাৰ কাৰণে পৰিকল্পনা আয়োগে অনুমোদন জনোৱা পূঁজিৰ পৰিমাণ পূৰ্ব নিৰ্দ্ধাৰিত ৪৬৬২ কোটিৰ পৰিবৰ্ত্তে ৫২০৫ কোটি টকা ধাৰ্য্য কৰা হয়। পূৰ্ব্বতে নিৰ্দ্ধাৰন কৰা কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ ৩৭৪৮ কোটিৰ পৰা ৪৬৮২ কোটি টকালৈ বৃদ্ধি কৰে। অষ্টম পাঁচ


বছৰীয়া পৰিকল্পনাৰ সময় ছোৱাৰ কাৰণে সংশোধিত আৱন্টিত ৫২০৫ কোটি টকাৰ ভিতৰত ৫১৮৪ কোটি টকা খৰছ হ'ব বুলি অনুমান কৰা হৈছে।

১৯.৫। ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত সামাজিক সেৱা খণ্ডক সৰ্ব্বাধিক গুৰুত্ব দি ৫৮৪.৭৯ কোটি টকা আৱন্টন দিয়া হৈছে। ই মুঠ আৱন্টিত পুঁজিৰ শতকৰা ৪০.৭৮ ভাগ। ইয়াৰ পিচতেই শক্তি খণ্ডক দ্বিতীয় গুৰুত্ব দি মুঠ ১৬৬.২৩ কোটি টকা আৱন্টন দিয়া হৈছে আৰু ই মুঠ আৱন্টিত পুঁজিৰ ১১.৫৯ শতাংশ। অগ্ৰাধিকাৰ ভিত্তিত অন্যান্য শিতানত ধাৰ্য্য কৰা পুঁজিৰ পৰিমাণ হৈছে কৃষি আৰু সংশ্লিষ্ট সেৱাৰ ১৫৯.৫৩ কোটি টকা (১১.১২ শতাংশ), গ্ৰামান্নোয়নৰ বাবে ৩২.৪১ কোটি টকা (৯.২৩ শতাংশ), জলসিঞ্চন আৰু বান নিয়ন্ত্ৰনৰ বাবে ১২২.৩০ কোটি টকা (৮.৫৩ শতাংশ), পৰিবহনৰ বাবে ১১৯.২৯ কোটি টকা (৮.৩২ শতাংশ), আৰু উদ্যোগ তথা খনিজাত দ্ৰব্যৰ শিতানত ৭২.৬০ কোটি টকাৰে (৫.০৬ শতাংশ)। বিভিন্ন খণ্ডৰ আৱন্টিত পুঁজি চিত্ৰ নং ১ ত দেখুৱা হৈছে।

**বাহ্যিক সাহায্য প্ৰকল্প**

২০.১। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত অসম গ্ৰাম্য আন্তৰগাঁথনি আৰু কৃষি সেৱা প্ৰকল্প (ARIASP) ৰ ৰূপায়ণৰ কাম ১৯৯৫ চনৰ ৩১ আগষ্টৰ পৰা আৰম্ভ হয়। এই আঁচনিৰ উদ্দেশ্য হৈছে গ্ৰামীন আন্তৰগাঁথনিৰ উন্নয়নৰ দ্বাৰা দাৰিদ্ৰতা নিৰ্মূল কৰা। কৃষি, মৎস্য পালন আৰু পশুধনৰ উন্নয়ন, নদীৰ পানী উত্তোলন কেন্দ্ৰ আৰু গভীৰ নলী নাদৰ পুনৰ সংস্থাপন, গ্ৰাম্য পথ আৰু দলঙৰ নিৰ্মাণ তথা ভূমি একত্ৰীকৰণ আদি আঁচনিবোৰ এই প্ৰকল্পই সামৰি লৈছে। যোৱা বিত্তীয় বছৰৰ শেষলৈকে এই প্ৰকল্পৰ অধীনত

FIGURE -1




চিত্র নং ১ :: ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত বিভিন্ন খণ্ডৰ আবণ্টিত পুঁজি ।
(১) সামাজিক সেৱা খণ্ড
(২) শক্তি খণ্ড
(৩) কৃষি আৰু সংশ্লিষ্ট খণ্ড
(৪) গ্ৰাম্য উন্নয়ন খণ্ড
(৫) জলসিঞ্চন আৰু বান নিয়ন্ত্ৰন খণ্ড
(৬) পৰিবহন খণ্ড
(৭) উদ্যোগ আৰু খনিজাত খণ্ড
(৮) সাধাৰণ সেৱা
(৯) বিশেষ খণ্ডৰ আঁচনি আৰু বিজ্ঞান প্ৰযুক্তি বিদ্যা, পৰিবেশ
(সংখ্যাবোৰ চিত্ৰত ইংৰাজীত দিয়া হৈছে)

হোৱা ব্যয়ৰ পৰিমাণ আছিল ৪.২৮ কোটি টকা । চলিত বিত্তীয় বছৰত এই প্ৰকল্পৰ ৰূপায়ণৰ বাবে ৭১.৮৪ কোটি টকা ধাৰ্য্য কৰা হৈছে । অসম গ্ৰাম্য আন্তৰগাঁথনি আৰু কৃষি সেৱা প্ৰকল্পৰ (ARIASP) উপৰি ৰূপায়িত হৈ থকা বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত অন্যান্য প্ৰকল্প সমূহ হৈছে কাৰিকৰী শিক্ষাৰ অধীনৰ প্ৰকল্প, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ খণ্ডত Assam Area Project IPP-IX আৰু জিলা প্ৰাথমিক শিক্ষা প্ৰকল্প (DPEP).

**মান উন্নয়ন মঞ্জুৰী**

২১.১। মাননীয় সদস্য সকলে নিশ্চয় জানে যে দশম বিত্তীয় আয়োগে (Tenth Finance Commission) প্ৰশাসনৰ মান উন্নয়ন আৰু বিশেষ সমস্যাৱলীৰ ক্ষেত্ৰত ১৯৯৬-৯৭ চনৰ পৰা চাৰি বছৰলৈ সাহায্য মঞ্জুৰীৰ অনুমোদন জনাইছে। উন্নয়নৰ বাবে অনুমোদন জনোৱা নিৰ্বাচিত ক্ষেত্ৰ সমূহ হৈছে আৰক্ষী, অগ্নি নিৰ্বাপক সেৱা, কাৰাগাৰ, জিলা সমূহত মহাপেচখানা, কোষাগাৰ সমূহৰ হিচাব কম্পিউটাৰকৰণ আৰু শিক্ষা। উন্নয়নৰ বাবে অনুমোদিত মুঠ পুঁজিৰ পৰিমাণ ১৪৬.৮৬ কোটি টকা আৰু চলিত বিত্তীয় বছৰত খৰচ কৰিব লগীয়া পুঁজিৰ নিৰ্দ্ধাৰিত পৰিমাণ ২৯.৩৭ কোটি টকা বিশেষ সমস্যাৱলীৰ বাবে চাৰিবছৰলৈ আৱন্টন দিয়া ৬০ কোটি টকাৰ ভিতৰত ১৯৯৬-৯৭ চনৰ বাবে ধাৰ্য্য কৰা হৈছে ১২ কোটি টকা আৰু এই পুঁজি ৰাজ্যিক সচিবালয় ভৱন নিৰ্মাণৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে। ৰাজ্য চৰকাৰে অলপতে ১৯৯৬-৯৭ বছৰটোত প্ৰশাসনৰ মান উন্নয়ন আৰু বিশেষ সমস্যাৰ বাবে ৪০.৬১ কোটি টকাৰ আঁচনি চূড়ান্ত কৰি ভাৰত চৰকাৰৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিছে। এই পুঁজি বাজেটৰ ৰাজ্যিক পৰিকল্পনা শিতানত ধৰা হৈছে আৰু ভাৰত চৰকাৰৰ অনুমোদন পোৱাৰ লগে লগেই ইয়াৰ ৰূপায়ণৰ কাম আৰম্ভ হ'ব।

**স্থানীয় নিকায় সমূহলৈ মঞ্জুৰী**

২২.১। সংবিধানৰ ৭৩ আৰু ৭৪ সংশোধনী অনুসৰি দশম বিত্তীয় আয়োগে (TFC) স্থানীয় নিকায় সমূহৰ কাৰণে ১৪৭.৫৬ কোটি টকাৰ সাহায্যৰ অনুমোদন জনাইছে। ইয়াৰ ভিতৰত ১৩৩.৩৬ কোটি টকা পঞ্চায়ত সমূহৰ বাবে আৰু ১৪.২০ কোটি টকা নগৰীয়া নিকায় সমূহৰ বাবে।

১৯৯৬-৯৭ চনৰ বছৰটোৰ বাবে অনুমোদন কৰা ৩৬.৮৯ কোটি টকাৰ ভিতৰত ৩৩.৩৪ কোটি পঞ্চায়তৰ বাবে আৰু ৩.৫৫ কোটি নগৰীয়া নিকায় সমূহৰ বাবে। ১৯৯৬-৯৭ চনৰ বাৰ্ষিক বিত্তীয় প্ৰৱিবৰনত ৰাজ্যিক পৰিকল্পনাৰ শিতানত এই পূঁজি ধৰা হৈছে।


**অনুষ্ঠানিক বিত্ত**

২৩.১। বেংকৰ সা-সুবিধাৰ কাৰণে অসমত বৰ্ত্তমান আঞ্চলিক গাৱঁলীয়া বেংক আৰু অসম সমবায় বেংককে ধৰি মুঠ ১৩০০ টা বেংকৰ শাখা আছে। সৰ্বভাৰতীয় গড় হিচাপত বেংকৰ প্ৰতিটো শাখাই সেৱা আগবঢ়োৱা লোকৰ সংখ্যা হল গড়ে ১৫০০০ জন আৰু তাৰ বিপৰীতে অসমত সেই সংখ্যা হয়গৈ ১৯০০০ জন। ১৯৯৬ চনৰ মে মাহ পৰ্য্যন্ত অসমত ঋণদান জমাৰ পৰিমাণ আছিল ৩৮.১৬ শতাংশ আৰু তাৰ বিপৰীতে সৰ্বভাৰতীয় ঋণদান জমাৰ পৰিমাণ হ'ল শতকৰা ৬০ ভাগ। ৰাজ্য চৰকাৰৰ বাবে ঋণ দানৰ অনুপাত এনে ধৰণে নিম্নগামী হোৱাটো চিন্তনীয় বিষয় আৰু ইয়াৰ উন্নতিকল্পে ৰাষ্ট্ৰীয়কৃত বেংক সমূহৰ আঞ্চলিক পৰামৰ্শদাতা কমিটিৰ লগত আলোচনা বিলোচনা চলাই থকা হৈছে।

**ৰাজ্যিক বিত্ত**

২৪.১। যোৱা মে মাহত বৰ্ত্তমানৰ চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ সময়ত ৰাজখনৰ বিত্তীয় পৰিস্থিতি অতিশয় শোচঁনীয় আছিল– আয় আৰু ব্যয়ৰ সমতা নথকাৰ হেতুকে ভাৰতীয় ৰিজাৰ্ভ বেংকে সঘনাই চৰকাৰী লেনদেন সাময়িক ভাৱে স্থগিত ৰাখিব লগীয়া হয়। আচলতে কবলৈ গলে বছৰ বছৰ ধৰি বাজেটত ঘাটি হোৱাৰ কাৰণেই এনে শোচঁনীয় বিত্তীয় পৰিস্থিতিৰ উদ্ভৱ হৈছে। বাজেটত ঘাটি হয় যেতিয়া ৰাজহ বৃদ্ধিৰ হাৰতকৈ খৰচৰ মাত্ৰা বেছি হয় ফলত

ৰাজ্যৰ সম্পদ আৰু খৰচৰ মাজত সংগতি নাইকীয়া হয়। যোৱা পাঁচ বছৰ (১৯৯১-৯৬) সময়ছোৱাৰ পৰিকল্পনা বহির্ভূত ৰাজহ আয় আৰু ৰাজহ ব্যয় চিত্ৰ নং ২ ত দেখুৱা হৈছে। ইয়াৰ অৱশ্যাম্ভাবী পৰিনতি হ'ল ৰিজাৰ্ভ বেংকৰ পৰা Over Draft লোৱা। এই ভয়াবহ পৰিস্থিতিয়ে ৰাজ্যখনৰ সম্পদৰাজিৰ সদ ব্যৱহাৰ কৰি অনাৱশ্যক ব্যয় পৰিহাৰ কৰি, দুৰ্ল্লভ পূঁজিৰ ন্যায় সংগত ব্যৱহাৰৰ দ্বাৰা বিত্তীয় পৰিস্থিতিক চম্ভালি লোৱাৰ গভীৰ দায়িত্বৰ কাৰণে আহ্বান জনাইছে।




চিত্ৰ নং ২—যোৱা পাঁচ বছৰ (১৯৯১-৯৬) সময়ছোৱাৰ পৰিকল্পনা বহির্ভূত ৰাজহ আয় আৰু ৰাজহ ব্যয় ( সংখ্যাবোৰ ইংৰাজীত দিয়া হৈছে)

(১) পৰিকল্পনা বহির্ভূত ৰাজহ ব্যয়
(২) পৰিকল্পনা বহির্ভূত ৰাজহ আয়

২৪.২। এই পৰিস্থিতিৰ প্ৰধান উদ্বেগৰ বিষয় হৈছে পৰিকল্পনা বহিৰ্ভূত খৰচৰ অপ্ৰতিৰোধ বৃদ্ধি। ইয়াৰ মূল কাৰণ সমূহ হ'ল–

(ক) যথেষ্ট সংখ্যক শিক্ষক আৰু পঞ্চায়ত কৰ্ম্মচাৰীক সম্পূৰ্ণভাৱে চৰকাৰী চাকৰিয়ালৰ মৰ্য্যদা প্ৰদান কৰাৰ বাবে চৰকাৰী চাকৰিয়ালৰ সংখ্যা সমানে বৃদ্ধি হোৱাত দৰমহাৰ ক্ষেত্ৰত হোৱা অস্বাভাৱিক বৃদ্ধি, (খ) উৰ্দ্ধমুখী মূল্যসূচীৰ পৰিপ্ৰেক্ষিতত চৰকাৰী চাকৰিয়াল আৰু চৰকাৰী পেঞ্চনাৰ সকলক সময়ে সময়ে সংশোধিত হাৰত কৰি দিব লগীয়া হোৱা মৰগীয়া বানচ আৰু মৰগীয়া ভাত্তা আৰু সাহায্য, (গ) মুদ্ৰাস্ফীতিৰ কাৰণে সামাজিক সেৱা আৰু চৰকাৰী সম্পদ ৰাজিৰ ৰক্ষণা-বেক্ষণৰ ব্যয় বৃদ্ধি, (ঘ) বিদ্ৰোহী আৰু সন্ত্ৰাসবাদী কাৰ্য্য-কলাপৰ পৰিপ্ৰেক্ষিতত আভ্যন্তৰীন নিৰাপত্তাৰ বাবে হোৱা খৰচৰ অ-স্বাভাৱিক বৃদ্ধি, (ঙ) ৰাজ্যিক ভিত্তি ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ অধিকতৰ চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হোৱা আৰু (চ) আটাইতকৈ ডাঙৰ কথা হ'ল ঋণৰ বোজা মাত্ৰাধিক হোৱাৰ পৰিপ্ৰেক্ষিতত ঘুৰাই দিব লগা মূলধন আৰু সুদৰ বোজা বৃদ্ধি।

২৪.৩। ৰাজ্যচৰকাৰে ৰাজ্যিক পৰ্য্যায়ৰ ৰাজহুৱা প্ৰতিষ্ঠান সমূহত বৃহৎ পৰিমাণৰ পূঁজি বিনিয়োগ কৰিছে। কিন্তু বছৰ বছৰ ধৰি ৰাজহুৱা প্ৰতিষ্ঠানবোৰে দ্ৰুত-পৰিবৰ্ত্তিত প্ৰযুক্তি বিদ্যা আৰু চাহিদাৰ লগত নিজকে খাপ খুৱাই ল'ব পৰা নাই। ফলত ৰাজ্যখনৰ প্ৰায়বোৰ ৰাজহুৱা প্ৰতিষ্ঠানেই সম্পদৰ যথাযথ ব্যৱহাৰ কৰাত বিফল হৈছে আৰু আশা কৰা ফল লাভ কৰাত বিফল হৈছে। এই প্ৰতিষ্ঠানবোৰ ঋণ

লোৱা ধনৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল আৰু প্ৰায়বোৰ ঋণৰ ক্ষেত্ৰতেই চৰকাৰৰ প্ৰত্যাভূতি (guarantee) আছে। এই প্ৰতিষ্ঠানবোৰৰ লাভ সূত্ৰে পোৱা ধন নগন্য বা একেবাৰে নোহোৱা বাবে ঋণ পৰিশোধৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰে লব লগা হৈছে। ফলত ৰাজহুৱা ঋণৰ বোজা বাঢ়ি গৈছে। এই ৰুগ্ন প্ৰতিষ্ঠান সমূহক একে দিনৰ ভিতৰতে সমৃদ্ধিশালী অৱস্থালৈ আনিবও নোৱাৰি আনহাতে সামাজিক দায়বদ্ধতাৰ দিশটো আওকান কৰি এই প্ৰতিষ্ঠানবোৰ হঠাতে বন্ধ কৰিও দিব নোৱাৰি। এনে পৰিস্থিতিত প্ৰয়োজনীয় কৰনীয় হ'ব প্ৰচলিত ধাৰণাৰ ঋণাত্মক পৰিবৰ্ত্তন। ৰাজহুৱা প্ৰতিষ্ঠান সমূহে চৰকাৰী সাহায্য নোলোৱালৈকে চলিব পাৰিব লাগিব। তেওঁলোকৰ কাৰ্য্যক্ৰমনিকা ব্যৱসায়িক ভিত্তিত হ'ব লাগিব, দায়বদ্ধতা স্থিৰ কৰি উৎপাদন ভিত্তিত নিয়োগ, উৎপাদিত মূল্য অনুসৰি বিক্ৰি মূল্য স্থিৰ কৰিব লাগিব যাতে তেওঁলোকে চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈ চলিব পাৰে।

২৪.৪। অত্যাধিক ৰূপে বৰ্দ্ধিত ৰাজহুৱা খণ্ডৰ ব্যয় ঋণ কৰা পুঁজিৰে বহন কৰিব লগা হোৱাত ঋণৰ বোজা অত্যাধিক ৰূপত বাঢ়ি গৈছে। ইয়াৰ কাৰণে পূৰ্ব্বৰ ঋণ পৰিশোধ কৰিবলৈ নতুন ঋণ লবলৈ বাধ্য হয়। ফলস্বৰূপে ৰাজ্যখন ঋণৰ হেচাত পোত খাই পৰিছে মানে প্ৰকৃত কথাত আভ্যন্তৰিণ ঋণৰ ফান্দত (Internal Debt Trap) পৰিছে। ৰাজ্য খনৰ ১-৪-৯০ তাৰিখত বকেয়া ঋণৰ পৰিমাণ আছিল ৩৭০৫ কোটি টকা, ইয়াৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ আছিল ৩০৯৬ কোটি টকা, অৰ্থাৎ সমুদায় ঋণৰ ৮৩ শতাংশ। ১-৪-৯০ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ পৰিকল্পনা আৱন্টনৰ ক্ষেত্ৰত ঋণৰ পৰিমাণ ৭০

শতাংশ ৰ পৰা ১০ শতাংশলৈ সুবিধাজনক ভাৱে হ্রাস কৰা স্বত্বেও ১-৪-৯৬ তাৰিখত ৰাজ্যৰ বকেয়া ঋণৰ পৰিমাণ ৫০৯৫ কোটি টকা অনুমান কৰা হৈছে। ইয়াৰে কেন্দ্রৰ পৰা লোৱা ঋণৰ পৰিমাণ ৭৫ শতাংশ। ইয়াৰ পৰিনতি হিচাবে ১-৪-৯০ তাৰিখৰ ১৬৬৯ টকা জনমূৰি ঋণৰ বোজা বৃদ্ধি হৈ ১-৪-৯৬ তাৰিখত এই পৰিমাণ ২০২১ টকা হৈছে। বছৰি পৰিশোধ কৰিবলগীয়া মূলধন আৰু সূতৰ বোজা বাঢ়ি গৈ ১৯৮৯-৯০ ৰ ৪৭৮ কোটি টকাৰ পৰা ১৯৯৫-৯৬ চনত ৭৪৯ কোটি টকা হৈছেগৈ। ধাৰে লোৱা পুঁজিৰ সৰহভাগেই সামাজিক সেৱা প্রদান আৰু আন্তৰগাঁথনি নির্মাণৰ বাবে প্রয়োগ কৰা হোৱাত ইয়াৰ পৰা তাৎক্ষনিক ভাৱে পুঁজি ওভতাই পোৱা নাযায়। গতিকে দুস্প্রাপ্য সম্পদ ৰাজিৰ এক বুজন পৰিমাণৰ অংশ প্রত্যেক বছৰে ঋন সেৱাৰ বাবদ ব্যয় কৰিব লগা হোৱাত আর্থ-সামাজিক উন্নয়নৰ কাৰণে ব্যয় কৰিবলৈ সামান্য পুঁজিহে ৰয় গৈ। এনে এটা অৱস্থা সদায় চলি থাকিবলৈ দিব নোৱাৰি।এই অৱস্থাৰ উন্নতি কৰিবলৈ আমাৰ প্রচেষ্টা অব্যাহত থাকিব।

২৪.৫। চৰকাৰ বর্ত্তমান বিত্তীয় পৰিস্থিতিৰ বিষয়ে সম্পূর্ণ সজাগ আৰু কার্য্যভাৰ গ্রহণ কৰাৰ পিচতেই এই সমস্যাটোৰ স্থায়ী সমাধান কৰাত সাহায্য আগ বঢ়াবলৈ কেন্দ্রৰ ওচৰত অনুৰোধ জনাইছিল। মাননীয় প্রধান মন্ত্রী মহোদয়ৰ ওচৰত ১৯৯৬ চনৰ ১ জুলাই তাৰিখে সমস্যাবিলাকৰ ওপৰত আলোকপাত কৰি আৰু উক্ত সমস্যাবিলাক সমাধানত তেখেতৰ হস্তক্ষেপ কামনাকৰি এখন স্মাৰক পত্র প্রদান কৰা হয়। উক্ত স্মাৰক পত্রত অন্যান্য সমস্যাৰ লগতে ৰাজ্যখনৰ আভ্যন্তৰীন নিৰাপত্তাৰ ক্ষেত্রত অস্বাভাৱিক ধৰনে বৃদ্ধি

পোৱা ব্যয়ৰ পৰা সকাহ পাবলৈ ৩২৬ কোটি টকাৰ মন্জুৰী প্ৰদান, ১-৪-৯৬ তাৰিখৰ পৰা খাৰুৱা তেলৰ ৰয়েলিটি বৃদ্ধি, ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আচঁনিৰ ক্ষেত্ৰত চলি থকা ১০০ শতাংশ ঋণ সাহায্যৰ পৰিবৰ্ত্তে ৯০ শতাংশ অথবা ১০০ শতাংশ মন্জুৰী প্ৰদানৰ বিশেষ কেন্দ্ৰীয় আঁচনিৰ অধীনস্থ আঁচনি হিচাবে গণ্য কৰা আৰু আটাইতকৈ গুৰুত্ব পূৰ্ণ বিষয় পুৰণি ঋণ বোজাৰ পৰা সকাহ দিবলৈ ৩ বছৰৰ বাবে মৰেটৰিয়াম (Moratorium) দিয়াৰ লগতে ১৯৯৬-৯৭ চনত ৫০০ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰ কথা উল্লেখ কৰা হৈছে।

২৪.৬। বিত্তীয় পৰিস্থিতিৰ দৃশ্যপট নিঃসন্দেহে ভয়লগা কিন্তু নিয়ন্ত্ৰন কৰিব নোৱাৰা নহয়। এইটো কোৱা নিস্প্ৰয়োজনীয় যে, কেবল কেন্দ্ৰীয় সাহায্যৰ ওপৰতে নিৰ্ভৰ কৰিলে এই দূৰ্য্যোগৰ পৰা উদ্ধাৰ পোৱা নাযাব। আমাৰ ফালৰ পৰা অলাগতিয়াল ব্যয় সমূহ কৰ্ত্তন কৰাৰ বাবে যথেষ্ঠ সাৱধানতা অৱলম্বন কৰাৰ লগতে ৰাজহ আদায় বৃদ্ধি কৰিব লাগিব। কৰযুক্ত আৰু কৰ বিহীন ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত নতুন কৰ বহুৱাতকৈ প্ৰচলিত কৰ ব্যৱস্থাৰ পৰা ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰ সমূহ বহলোৱাটোহে আমাৰ নীতি হ'ব। কৰ সংগ্ৰহৰ ব্যৱস্থাৱলী কটকটীয়া কৰি কৰ ফাঁকি দিয়াটো বন্ধ কৰিবলৈ চেষ্টা কৰা হ'ব। ৰাজহ সংগ্ৰহৰ সকলো দিশত চোকা দৃষ্টি ৰাখি অধিক ৰাজহ সংগ্ৰহৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। ৰাজহুৱা ব্যয়ৰ ক্ষেত্ৰত কোনো ধৰনৰ উন্নয়ন মূলক কাৰ্য্যত ব্যাহত নোহোৱাকৈ অসংগত ভাৱে বৃদ্ধি পোৱা ব্যয় সংকোচন কৰাটো আমাৰ মূল লক্ষ্য হ'ব। ইয়াৰ কাৰণে নিয়োগৰ সম্প্ৰসাৰনতাৰ

ক্ষেত্ৰত যুক্তি যুক্ততা নোহোৱাকৈ যথে মথে নতুন পদৰ সৃষ্টিকৰা বন্ধ কৰা হ'ব । সকলোবোৰ অলাগতীয়াল খৰচ কঠোৰভাৱে নিয়ন্ত্ৰন কৰা হ'ব । ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহে চৰকাৰী পৃষ্ঠপোষকতাৰ ওপৰত ভৰষা নকৰি বানিজ্যিক ভাৱে বিত্তীয় স্বতন্তৰীয়া হবলৈ সকীয়াই দিয়া হ'ব ।

২৪.৭। এই পৰিস্থিতি চম্ভালিবৰ কাৰণে আমি সকলো সম্ভৱপৰ ব্যৱস্থা লোৱা আৰু কেন্দ্ৰৰ পৰা অধিক বিত্তীয় সাহায্য বিচৰাৰ লগতে দীৰ্ঘকালীন ব্যৱস্থা হিচাবে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ ৰাজস্ব (Fiscal) সম্পৰ্ক উন্নত কৰি বিভাজ্য পুঁজি (Divisible Pool) বৰ্দ্ধিত কৰি অধিক পুঁজি বিকেন্দ্ৰীকৰণৰ কাৰণে যত্ন কৰা হ'ব । মাননীয় অধ্যক্ষ মহোদয়, মই দৃঢ় বিশ্বাসী যে, আমাৰ অবিৰত প্ৰচেষ্টা আৰু ভাৰত চৰকাৰৰ সক্ৰিয় সহযোগিতাৰ দ্বাৰা বিত্তীয় শৃংখলা উভতাই আনিবলৈ সক্ষম হ'ম । আৰ্থ সামাজিক উন্নতিৰ বাবে ই অপৰিহাৰ্য্য ।

**কৰ**

২৫.১। মই কোনো নতুন কৰ আৰোপ কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিব বিচৰা নাই, চলিত কৰ আইন সমূহৰ উপযুক্ত বলবৎ কৰণৰ দ্বাৰা অধিক ৰাজহ আদায়ৰ প্ৰচেষ্টাৰ কথা মই ইতিমধ্যে উল্লেখ কৰিছো ।

**হিচাপ ১৯৯৪-৯৫**


২৬.১। অসমৰ মহাগাণনিকে দিয়া হিচাব অনুসৰি ১৯৯৪-৯৫ চনৰ বছৰটো সামৰণি পৰিছিল প্ৰায় ৩৫৮ কোটি টকাৰ ঘাটিৰে । বছৰটোত একত্ৰীকৃত নিধি, উপনিমিত্ত পুঁজি আৰু ৰাজহুৱা হিচাবৰ পৰা প্ৰকৃত প্ৰাপ্তিৰ পৰিমাণ আছিল ৬৯৩৯ কোটি টকা । ইয়াৰ বিপৰীতে বছৰটোত মুঠ প্ৰকৃত

ব্যয়ৰ পৰিমাণ আছিল ৭০৩৯ কোটি টকা। সেই বাবে চলিত লেন-দেনৰ হিচাপত ১০০ কোটি টকাৰ ঘাটি হৈ গৈছিল। আৰম্ভনিৰ হিচাপত ২৫৮ কোটি টকাৰ ঘাটি লৈ ১৯৯৪-৯৫ চনৰ বছৰটোৰ ৩৫৮ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিছিল।


২৭.১। ১৯৯৫-৯৬ চনৰ বাজেটত আৰম্ভণি ঘাটিৰ ১৬৩.০৬ কোটি টকা ধৰি সৰ্ব্বমুঠ ২৮৬ কোটি টকা ঘাটি হ'ব বুলি ধৰা হৈছিল। কিন্তু সংশোধিত হিচাপ মতে বছৰটোৰ আৰম্ভণি ঘাটি ৩৫৮ কোটি টকা হোৱাত ১৯৯৫-৯৬ চনৰ সামৰণি ঘাটি ২৯৫.৫২ টকা হবগৈ বুলি অনুমান কৰা হৈছে।

২৮.১। ১৯৯৬-৯৭ চনৰ বাজেট একত্ৰীকৃত নিধি ৫৬৬২.১৮ কোটি টকা ৰাজহ ধৰা হৈছে তাৰে ৪২৯১.৮৭ কোটি মূলধন শিতানত আৰু ১৩৭০.৩১ কোটি ৰাজহ শিতানত একত্ৰীকৃত নিধিৰ বিভিন্ন শিতানত হ'ব পৰা জমাৰ হিচাপ ৩নং চিত্ৰত দেখুৱা হৈছে। ইয়াৰ লগত ৰাজহুৱা শিতানত ৰাজহ ১৮২১.০৩ কোটি টকা ধৰি সৰ্ব্বমুঠ ৰাজহ ৭৪৮৩.২১ কোটি টকা হ'বগৈ।

১৯৯৬-৯৭ চনৰ বাজেটত একত্ৰীকৃত নিধিৰ পৰা ৬১৮৬.৯২ কোটি টকা ব্যয় হব বুলি ধৰা হৈছে, তাৰে ৪৫৭০.৪৮ কোটি টকা ৰাজহ শিতান আৰু ১৬১৬.৪৪ কোটি টকা মূলধন শিতানত। খৰচৰ প্ৰধান শিতান সমূহ ৪ নং চিত্ৰত দেখুৱা হৈছে। ইয়াৰ লগত ৰাজহুৱা শিতানত ধৰা ব্যয় ১৭৬৭.০৬ কোটি টকা ধৰিলে মুঠ ৭৯৫৩.৯৮ কোটি টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। গতিকে বছৰটোত




চিত্র নং-৩ ১৯৯৬-৯৭ চনৰ একত্ৰীকৃত নিধিলৈ বিভিন্ন শিতানত হব পৰা জমাৰ হিচাপ




চিত্ৰ নং-৪ ১৯৯৬-৯৭ চনৰ একত্ৰীকৃত নিধিলৈ বিভিন্ন শিতানত হব পৰা খৰছৰ হিচাপ

হোৱা লেন-দেনৰ পিছত মুঠ ৪৭০.৭৭ কোটি টকা ঘাটি হব বুলি হিচাপ কৰা হৈছে। আৰু আৰম্ভণি ঘাটি ২৯৫.৫২ কোটি টকা ধৰি বছৰটোৰ শেষত সৰ্ব্বমুঠ ঘাটি ৭৬৬.২৯ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। বছৰটোত হ'ব লগা লেন-দেনৰ সংক্ষিপ্ত হিচাব পৰিশিষ্টত দেখুৱা হৈছে।

২৯.১। বছৰৰ শেষত অনুমান কৰা ঘাটি অভাৱনীয় ভাৱে বহু বেছি। মাননীয় সদস্য সকলে উপলব্ধি কৰিব যে কিছুমান এৰাব নোৱাৰা খৰছৰ দায়িত্ব বহন কৰিব লগা হোৱাত, এই ঘাটি অপৰিহাৰ্য্য। মই বিত্তীয় অৱস্থাৰ এক প্ৰকৃত স্বৰূপ ডাঙি ধৰাৰ চেষ্টা কৰিছো আৰু সুস্থিৰতা ঘুৰাই আনিবলৈ আপ্ৰাণ চেষ্টা চলাম। মই আগতে কৈছো যে এই বিত্তীয় বছৰত আৰু নতুন কৰ আৰোপ কৰা নহয়। এই ঘাটি আংশিক ভাবে ১-৪-৯৬ চনৰ পৰা হব লগা তেলৰ ৰয়েল্টিৰ সংশোধিত নিৰিখৰ পৰা হোৱা অতিৰিক্ত আয়ৰ পৰা, কিছু অংশ কঠোৰ বিত্তীয় শৃংখলাৰ দ্বাৰা হব পৰা অতিৰিক্ত ৰাজহ ৰাহিৰ পৰা আৰু কিছু পৰিমাণে প্ৰশাসনত মিতব্যয়িতা অৱলম্বন সহকাৰে পুৰোৱা হ'ব। কোৱা বাহুল্য যে, আমাৰ এই একপক্ষীয় প্ৰচেষ্টাই আমাক এই বিপদ সাগৰৰ পৰা উদ্ধাৰ নকৰে। আমি নিৰবিচিন্ন ভাৱে কেন্দ্ৰীয় চৰকাৰক আভ্যন্তৰীন নিৰাপত্তাৰ কাৰণে হোৱা অতিৰিক্ত খৰছ পৰিশোধ কৰিবলৈ, কেন্দ্ৰীয় চৰকাৰৰ ঋণ পৰিশোধ কৰাৰ পৰা সাময়িক অব্যাহতি দিবলৈ আৰু প্ৰচলিত নীতি পৰিবৰ্ত্তন কৰি কেন্দ্ৰীয় ৰাজহৰ পৰা ৰাজ্য চৰকাৰলৈ দিয়া অংশৰ পৰিমাণ বৃদ্ধি কৰিবলৈ হেচাঁ দি যাম। আশাকৰো, আমি সময়মতে কেন্দ্ৰীয় চৰকাৰৰ পৰা যথোচিত সাহায্য পাম। মই মোৰ বক্তব্য

প্রসংগত বিশেষ ভাৱে উল্লেখ কৰিছো যে, কেন্দ্রৰ বিত্তীয় ক্ষমতা বিকেন্দ্রীকৰণ কৰি ৰাজ্য সমূহক অধিক বিত্তীয় ক্ষমতা দিয়াৰ উপৰিও প্রগতিৰ ৰথখন আগুৱাই দেশৰ আন্তৰগাঁথনি সুস্থিৰ কৰিবলৈ শান্তি সম্প্রতি অটুত ৰখা নিত্যান্ত প্রয়োজন ।

এই গধুৰ দায়িত্ব পালন কৰাত মই পবিত্র সদনৰ মাননীয় সদস্য সকলৰ সম্পূর্ণ সহায় আৰু সহযোগ বিচাৰিছো । অসমৰ জনসাধাৰণে আমাৰ ওপৰত গভীৰ বিশ্বাস আৰু আস্থা আৰোপ কৰিছে । আমি এক নিকা প্রশাসন গঢ়ি তুলি জনসাধাৰণৰ এই আশা আকাংখা পূৰণ কৰিব লাগিব ।

এইখিনি কথাৰেই, অধ্যক্ষ মহোদয়, ১৯৯৬-৯৭ চনৰ বাজেট খন মই সন্মানিত সদনৰ বিবেচনাৰ কাৰণে উত্থাপন কৰিলোঁ ।

----

# পৰিশিষ্ট

## লেনদেনৰ সংক্ষিপ্ত বিবৰণ

*(লাখ টকাৰ হিচাপত)*

| | প্ৰকৃত ১৯৯৪-৯৫ | বাজেট প্ৰাক্কলন ১৯৯৫-৯৬ | সংশোধিত প্ৰাক্কলন ১৯৯৫-৯৬ | বাজেট প্ৰাক্কলন ১৯৯৬-৯৭ |
|---|---|---|---|---|
| **(ক) প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত পূঁজি | | | | |
| ৰাজহ হিচাপ | ২৯,৬১,৪১ | ৩৭,৪৪,১৪ | ৪১,৭৪,১১ | ৪২,৯১,৮৭ |
| মূলধন হিচাপ | ২১,১০,১৬ | ১২,৮১,৯২ | ১২,৯৩,৫৩ | ১৩,৭০,৩১ |
| মুঠ- | **৫০,৭১,৫৭** | **৫০,২৬,০৬** | **৫৪,৬৭,৬৪** | **৫৬,৬২,১৮** |
| ২। আকস্মিক নিধি হিচাপ | – | – | – | – |
| ৩। ৰাজহুৱা হিচাপ | ১৮,৬৭,১৬ | ১৯,৩৬,০০ | ১৯,৩৬,০০ | ১৮,২১,০৩ |
| সৰ্ব্বমুঠ- (১+২+৩) | **৬৯,৩৮,৭৩** | **৬৯,৬২,০৬** | **৭৪,০৩,৬৪** | **৭৪,৮৩,২১** |
| **(খ) ব্যয়** | | | | |
| ১। একত্ৰিত পূঁজি | | | | |
| ৰাজহ হিচাপ | ৩২,৭০,৭০ | ৩৭,১৭,১৬ | ৩৯,৭৪,৮০ | ৪৫,৭০,৪৮ |
| মূলধন হিচাপ | ২১,৪৫,৭১ | ১৪,৮২,৭৬ | ১৪,৮১,৩৮ | ১৬,১৬,৪৪ |
| মুঠ- | **৫৪,১৬,৪১** | **৫১,৯৯,৯২** | **৫৪,৫৬,১৮** | **৬১,৮৬,৯২** |
| ২। আকস্মিক নিধি হিচাপ | – | – | – | – |
| ৩। ৰাজহুৱা হিচাপ | ১৬,২২,৪১ | ১৮,৮৪,৬০ | ১৮,৮৪,৬০ | ১৭,৬৭,০৬ |
| সৰ্ব্বমুঠ- (১+২+৩) | **৭০,৩৮,৮২** | **৭০,৮৪,৫২** | **৭৩,৪০,৭৮** | **৭৯,৫৩,৯৮** |
| **(গ) বছৰটোৰ ভিতৰত লেন-দেন** | | | | |
| ৰাহি (+) | – | – | (+) ৬২,৮৬ | – |
| ঘাটি (−) | (−) ১,০০,০৯ | (−) ১,২২,৪৬ | – | (−) ৪,৭০,৭৭ |
| **(ঘ) আৰম্ভনিৰ হিচাপ** | | | | |
| ৰাহি (+) | – | – | – | – |
| ঘাটি (−) | (−) ২,৫৮,২৯ | (−) ১,৬৩,০৬ | (−) ৩,৫৮,৩৮ | (−) ২,৯৫,৫২ |
| **(ঙ) সামৰণিৰ হিচাপ** | | | | |
| ৰাহি (+) | – | – | – | – |
| ঘাটি (−) | (−) ৩,৫৮,৩৮ | (−) ২,৮৫,৫২ | (−) ২,৯৫,৫২ | (−) ৭,৬৬,২৯ |